# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 01-03-2026
**Time :** 1205 Hrs.

০০০০০০

১। ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেইৰ মৃত্যুৰ বাতৰি প্ৰকাশ।

২। সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন জিলা প্ৰশাসন আৰু জিলা নিৰ্বাচনী বিভাগৰ প্ৰস্তুতি অব্যাহত।

৩। কোচ বিহাৰৰ মধুপুৰ সত্ৰত কাইলৈৰ পৰা ৪ মাৰ্চলৈ শ্ৰীকৃষ্ণৰ দৌল উৎসৱৰ আয়োজন।

*আৰু*

৪। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত ভাৰত আৰু ৱেষ্ট ইণ্ডিজ মুখামুখি।

০০০০০০

ইৰানৰ সৰ্বোচ্চ নেতা আয়াতুল্লাহ আলী খামেনেইৰ মৃত্যু হোৱা বুলি দেশখনৰ চৰকাৰে নিশ্চিত কৰিছে। প্ৰাপ্ত বাতৰি অনুসৰি আমেৰিকা আৰু ইজৰাইলে ইৰানৰ সামৰিক আৰু চৰকাৰী স্থানসমূহক লক্ষ্য কৰি চলোৱা বিমান আক্ৰমণত খামেনেইৰ মৃত্যু হয়। ইজৰাইলৰ এগৰাকী জ্যেষ্ঠ বিষয়াই প্ৰকাশ কৰা মতে ইতিমধ্যে খামেনেইৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ পূৰ্বে চৰকাৰী টেলিভিছনযোগে দিয়া ভাষণত ইজৰাইলৰ বেঞ্জামিন নেতান্যাহুৱে খামেনেইৰ মৃত্যু হোৱা বুলি আশংকা প্ৰকাশ কৰিছিল।  ইৰানত খামেনেইৰ মৃত্যুত ৪০ দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰা হৈছে। ইৰানৰ সংবাদমাধ্যমৰ বাতৰি অনুসৰি আমেৰিকা আৰু ইজৰাইলৰ আক্ৰমণত কমেও ২০১ জন লোকে প্ৰাণ হেৰুৱাইছে আৰু ৭০০ৰো অধিক লোক আহত হৈছে।

পশ্চিম এছিয়াৰ ভাৰতীয় দূতাবাসসমূহে অঞ্চলটোৰ সাম্প্ৰতিক পৰিস্থিতিলৈ চাই ভাৰতীয় নাগৰিকসকলক পৰামৰ্শাৱলী মানি চলিবলৈ আহ্বান জনাইছে। ইজলাইস্থিত ভাৰতীয় দূতাবাসে অস্থায়ীভাৱে দেশখনত থকা ভাৰতীয় নাগৰিকসকলক ইতিপূৰ্বে জাৰি কৰা পৰামৰ্শাৱলী মানি চলিবলৈ আৰু সময়মতে সাহায্য আৰু যোগাযোগ সুনিশ্চিত কৰাৰ উদ্দেশ্যে দূতবাসৰ ৱেবচাইটত নাম পঞ্জীয়ন কৰিবলৈ আহ্বান জনাইছে।

একেদৰে তেহৰানত থকা ভাৰতীয় দূতাবাসেও ভাৰতীয় নাগৰিকসকলক সতৰ্কতা বৰ্তাই ৰাখিবলৈ আহ্বান জনাইছে। দূতাবাস কৰ্তৃপক্ষই প্ৰয়োজন নহ'লে ঘৰৰ পৰা বাহিৰলৈ নোলাবলৈ আৰু শেহতীয়া ঘটনাক্ৰমৰ বিষয়ে অৱগত হোৱাৰ বাতৰি চাই থাকিবলৈ কৈছে। আবু ধাবিত থকা ভাৰতীয় দূতাবাসেও ইউ এ ইত থকা ভাৰতীয় নাগৰিকসকলক অযথা ভ্ৰমণ এৰাই চলিবলৈ আৰু সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিভিন্ন জিলা প্ৰশাসন আৰু জিলা নিৰ্বাচনী বিভাগে প্ৰস্তুতি অব্যাহত ৰাখিছে। কালি ডিব্ৰুগড় জিলা পুথি ভঁৰাল প্ৰেক্ষাগৃহত বিধানসভা সমষ্টি পৰ্যায়ৰ মূল প্ৰশিক্ষক, মাণ্ডলিক বিষয়া আৰু খণ্ড বিষয়াসকলৰ প্ৰশিক্ষণ সম্পন্ন হয়। তিনি দিনীয়া এই প্ৰশিক্ষণত ইলেকট্ৰনিক ভোটিং মেচিনৰ ব্যৱহাৰিক প্ৰশিক্ষণ দিয়া হয়। মাজুলী জিলাত কালি জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, জ্যেষ্ঠ অৰক্ষী অধীক্ষক

হৰেন টকবিকে ধৰি শীৰ্ষ বিষয়াসকলে আহতগুৰি অঞ্চলৰ নদীকাষৰীয়া আৰু চৰ এলেকাৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত এই কেন্দ্ৰসমূহৰ আন্তঃগাঁথনি তথা নিৰাপত্তা ব্যৱস্থাৰ বুজ লোৱা হয়। ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ পৰা যাতে কোনো ভোটদাতা বাদ পৰি নাযায় তাৰ বাবে ভৌগোলিক দিশৰ পৰা প্ৰত্যাহ্বানপূৰ্ণ স্থানসমূহতো সকলো সুবিধাৰ ব্যৱস্থা কৰিবলৈ বিষয়াসকলে আলোচনা কৰে।

গোৱালপাৰা জিলা প্ৰশাসনে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে পূৰ্ণ গতিত প্ৰস্তুতি চলাই আছে। জিলাখনৰ এহেজাৰ ১০ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ৪৮টা দুৰ্গম চৰ অঞ্চলত আছে। জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া প্ৰদীপ টিমুং, গোৱালপাৰা পূব বিধানসভা সমষ্টি আৰু পশ্চিম বিধানসভা সমষ্টিৰ ৰিটাৰ্নিং বিষয়া তথা জিলা নিৰ্বাচনী বিষয়াই কালি গোৱালপাৰা পূব সমষ্টিৰ চৰ অঞ্চলৰ ১১ টা ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি বিভিন্ন দিশ নিৰীক্ষণ কৰে।

ooooo

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে সকলো জিলা বিদ্যালয় পৰিদৰ্শকক একাদশ শ্ৰেণীত নামভৰ্তিৰ বাবে আবেদন কৰা সকলো বিদ্যাৰ্থীয়ে বাধ্যতামূলক আধাৰ বায়'মেট্ৰিক আপডেট কৰাটো নিশ্চিত কৰিবলৈ কৈছে। ভাৰতীয় অনন্য পৰিচয় জ্ঞাপক প্ৰাধিকৰণ, ইউ আই ডি এ আইৰ আঞ্চলিক কাৰ্যালয়ৰ তৰফৰ পৰা লাভ কৰা পত্ৰৰ ভিত্তিত পৰিষদে এই নিৰ্দেশ জাৰী কৰিছে। পৰিষদৰ নিৰ্দেশ অনুসৰি ৫ৰ পৰা ১৫ বছৰ বয়স আৰু ইয়াৰ ঊৰ্ধৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে বায়'মেট্ৰিক আপডেট কৰাটো বাধ্যতামূলক। ইয়াৰ উপৰি এইবাৰৰ শিক্ষা বৰ্ষৰ পৰা একাদশ শ্ৰেণীত নামভৰ্তি কৰিব খোজা ছাত্ৰ-ছাত্ৰীসকলে দৰ্পন প'ৰ্টেলত পঞ্জীয়ন কৰাৰ সময়ত বায়'মেট্ৰিক আপডেট কৰাটো নিশ্চিত কৰিব লাগিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে।

ooooo

গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা দলঙেৰে অহা ৮ মাৰ্চৰ পৰা যান-বাহন চলাচল কৰিব। কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই কালি এই কথা ঘোষণা কৰে। উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৪ ফেব্ৰুৱাৰীত উদ্বোধন কৰাৰ পাছৰে পৰা দলংখন অকল পথচাৰীৰ বাবেহে মুকলি আছিল। ৮ মাৰ্চৰ পৰা দলংখনেৰে যান-বাহনৰ চলাচল কৰিব যদিও ব্যৱসায়িক বাহন চলাচল নিষিদ্ধ থাকিব বুলি আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

কোচ বিহাৰৰ মধুপুৰ সত্ৰত কাইলৈৰ পৰা ৪ মাৰ্চলৈ শ্ৰীকৃষ্ণৰ দৌল উৎসৱৰ আয়োজন কৰা হৈছে। উত্তৰবংগৰ সত্ৰ আৰু নামঘৰসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জনোৱা মতে কাইলৈ সত্ৰত গোন্ধপৰ্ব অনুষ্ঠিত হ'ব। পৰহিলৈ গোসাঁইক দৌলত প্ৰতিষ্ঠা কৰাৰ লগতে দিনজোৰা ভাগৱত পাঠ আৰু নাম-প্ৰসংগ অনুষ্ঠিত হ'ব। ৪ মাৰ্চৰ দিনা গোসাঁইক লৈ সমগ্ৰ মধুপুৰ অঞ্চল পৰিভ্ৰমণৰ কৰাৰ লগতে সেইদিনা সুঁৱেৰী পালন কৰা হ'ব। দৌল উৎসৱৰ সকলো কাৰ্যসূচীত উত্তৰবংগৰ সত্ৰ আৰু নামঘৰসমূহৰ ভকত-বৈষ্ণৱসকলক অংশগ্ৰহণ কৰিবলৈ মধুপুৰ সত্ৰৰ সত্ৰাধিকাৰ পিতাম্বৰ ভকত আৰু সমন্বয়ৰক্ষী সমিতিৰ সম্পাদক ডাঃ কেশৱ চন্দ্ৰ দাসে আহ্বান জনাইছে।

ooooo

চৰকাৰে ৰাজ্যিক সংখ্যালঘু আয়োগৰ ৫ গৰাকী নতুন সদস্যক মনোনীত কৰিছে। সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগে কালি জাৰী কৰা জাননী অনুসৰি যশপাল সিং, সঞ্জয় টপ্পো, ওছমান গানি, বিশ্ববৰণ বৰুৱা আৰু ধনীন্দ্ৰ সুৰাণাক কাৰ্যভাৰ গ্ৰহণ কৰা দিনৰে পৰা ৩ বছৰৰ বাবে সদস্য হিচাপে নিয়োগ কৰা হৈছে। ইয়াৰ পূৰ্বে তাবিবৰ ৰহমানক আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছিল।

০০০০০

লখিমপুৰ জিলাৰ শিমলুগুৰি অঞ্চলৰ সংবাদকৰ্মীসকলৰ মঞ্চ শিমলুগুৰি প্ৰেছ ক্লাবৰ সাধাৰণ সভা কালি অনুষ্ঠিত হয়। শিমলুগুৰি প্ৰেছ ক্লাবৰ সভাপতি দেৱজিৎ দুৱাৰৰ সভাপতিত্বত হোৱা সভাখনত সম্পাদক দেৱজ্যোতি কাকতিয়ে আঁত ধৰে। প্ৰেছ ক্লাবটোৰ প্ৰতিষ্ঠাপক সভাপতি অনন্ত গগৈ, প্ৰাক্তন সভাপতি চিত্ৰনাথ গগৈয়ে শিমলুগুৰি অঞ্চলৰ শৈক্ষিক, সামাজিক আদি বিভিন্ন দিশত উদ্ভৱ হোৱা সমস্যা সন্দৰ্ভত বিশদভাৱে আলোচনা কৰি সাংবাদিকসকলক নিষ্ঠা সততাৰে কাম কৰি যাবলৈ আহ্বান জনায়। সভাত পূৰ্বৰ সমিতিখন ভংগ কৰাৰ পাছত ২০২৬-২৮ বৰ্ষৰ বাবে নতুন সমিতি গঠন কৰাৰ লগতে ভৱিষ্যতৰ কাৰ্যপন্থা সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত কালি ধেমাজি বাণিজ্য মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ উদ্যোগত এখন যুৱ সংসদ অনুষ্ঠিত হয়। ভাৰতৰ জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ, ভাৰতীয় গণতন্ত্ৰৰ বাবে শিক্ষা শীৰ্ষক বিষয়ত অনুষ্ঠিত এই যুৱ সংসদত জিলাখনৰ ১৮ৰ পৰা ২৫ বছৰ বয়সৰ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা এন এছ এছৰ আঁচনি বিষয়া ড০ ডেভিদ কাৰ্ডঙে অধ্যক্ষ হিচাপে অংশ লোৱা যুৱ সংসদত অংশগ্ৰহণকাৰীসকলে গণতান্ত্ৰিক প্ৰমূল্য, নীতি-নিৰ্ধাৰণ, সততা, সজাগতাকে ধৰি কেইবাটাও বিষয়ৰ ওপৰত আলোকপাত কৰে। তেওঁলোকে বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ দৃষ্টিভংগীৰে নৱ-প্ৰজন্মৰ অংশীদাৰিত্বৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

০০০০০

লখিমপুৰ জিলাৰ নৱাগাঁৱৰ কিষান বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ত আজিৰে পৰা জুবিন গাৰ্গ প্ৰকৃতি মহোৎসৱ অনুষ্ঠিত হ'ব। জৈৱ বৈচিত্ৰ সংৰক্ষণ আৰু পৰিৱেশৰ প্ৰতি সজাগতা সৃষ্টিৰ বাবে এটা স্বেচ্ছাসেৱী সংস্থা আৰু লখিমপুৰৰ প্ৰকৃতিপ্ৰেমী ৰাইজৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে জুবিন গাৰ্গ অৰ্কিট উদ্যানৰ কামো আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হ'ব। অনুষ্ঠানৰ অংশ হিচাপে জলাশয় আৰু জৈৱ বৈচিত্ৰ বিষয়ক এখন আলোচনা সত্ৰ অনুষ্ঠিত হ'ব। কাইলৈ জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজ দিয়াত চৰকাৰী পদক্ষেপতকৈ ব্যক্তিগত জীৱন শৈলীৰ পৰিৱৰ্তন অধিক গুৰুত্বপূৰ্ণ শীৰ্ষক তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। পৰহিলৈ ৰং-তুলিকাৰ প্ৰতিযোগিতা, কৃষি আৰু প্ৰকৃতি সংৰক্ষণৰ সৈতে জড়িত ব্যক্তিক সম্বৰ্ধনা আৰু প্ৰকৃতি আৰু কৃষিৰ সম্পৰ্ক শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। প্ৰতিদিনে বিয়লি জনগোষ্ঠীয় সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

০০০০০

শিল্পী-সাহিত্যিকসকলে সমাজক যুগে যুগে বাট দেখুৱাই আহিছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত কালি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আয়োজিত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাষণ দি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই এইদৰে মন্তব্য কৰে। শিল্পীসকলক আলোকৰ যাত্ৰী বুলি অভিহিত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে শিল্পীসকলে চিন্তন-মননৰ জৰিয়তে নিজৰ সৃষ্টিৰাজী বিশ্বসভালৈ লৈ যায়। অনুষ্ঠানত ২০২৫ বৰ্ষৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংহতি বঁটা ড° অমলেন্দু চক্ৰৱৰ্তী আৰু কৃষ্ণকান্ত সন্দিকৈ ৰাষ্ট্ৰীয় বঁটা মনেশ্বৰ দেউৰীলৈ আগবঢ়োৱা হয়। একেদৰে ৰাজ্যিক বঁটা শিতানত ২০২৬ বৰ্ষৰ শিল্পী বঁটা লোকগীতৰ শিল্পী ধনদা পাঠক আৰু মৰণোত্তৰভাৱে শিল্পী সমৰ হাজৰিকাক প্ৰদান কৰা হয়। ২০২৫ বৰ্ষৰ নটসূৰ্য ফণী শৰ্মা বঁটা কৰুণা ডেকালৈ, ড° ভবেন্দ্ৰনাথ শইকীয়া বঁটা অৰূপ মান্নালৈ আৰু বিজু ফুকন বঁটা অৰণীৰঞ্জন পাঠকলৈ আগবঢ়োৱা হয়।

০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত ভাৰত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ হ'লে এই খেলখনত জয়লাভ কৰিবই লাগিব। ইপিনে দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ আন এখন খেলত আজি দক্ষিণ আফ্ৰিকা জিম্বাব'ৱেৰ সন্মুখীন হ'ব। খেলখন বিয়লি তিনি বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাৰ ছেমিফাইনেল খেল দুখন ৪ আৰু ৫ মাৰ্চত আৰু ফাইনেল খেলখন ৮ মাৰ্চত অনুষ্ঠিত হ'ব।

০০০০০

**সমাপ্ত**